**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 26-04-2026**
**Time : 1205 Hrs**

***Assamese Midday Bulletin***

১। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান।

২। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে সন্মুখীন হোৱা বান সমস্যা সমাধানৰ লক্ষ্যৰে বিভিন্ন জিলা প্ৰশাসনৰ প্ৰস্তুতি।

৩। ৰাসায়নিক সাৰ আৰু কীটনাশকৰ কুপ্ৰভাৱ সন্দৰ্ভত বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ আৰু লক্ষ্নৌ ছুপাৰ জায়েণ্টছ- কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এয়া অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰগতিৰ সৈতে বিজ্ঞানক সদায় জড়িত কৰা হৈছে। দেশৰ বিজ্ঞানীসকলে অসামৰিক পাৰমানবিক কাৰ্যসূচী আগুৱাই ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন কী বাতত প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত কৰি কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰচুৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ বাঁহ শিল্পৰ কথা বিশেষভাৱে এই অনুষ্ঠানত উল্লেখ কৰে। তেওঁ কয় যে যিটো বস্তুক এটা সময়ত বোজা বুলি গণ্য কৰা হৈছিলে সি এতিয়া ব্যৱসায় তথা উদ্ভাৱনক নতুন মাত্ৰা প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ইংৰাজৰ দিনৰ পৰা চলি অহা আইন অনুসৰি বাঁহক বৃক্ষ হিচাপে গণ্য কৰাৰ কথা প্ৰকাশ কৰি কয় যে এই আইনৰ বাবেই এঠাইৰ পৰা আন ঠাইলৈ বাঁহ লৈ যোৱাটো সহজ নাছিলে। সেইবাবে উত্তৰ পূৰ্বাঞ্চলৰ লোকসকল বাঁহৰ সৈতে জড়িত কাম-কাজৰ পৰা আঁতৰি আহিছিল।

বাইট-মোদী

২০১৭ চনত এই আইনৰ কিছু সাল সলনি কৰি বাঁহক বৃক্ষ শ্ৰেণীৰ আওতাৰ পৰা বাহিৰলৈ অনা হয়। যাৰ ফলত বৰ্তমান উত্তৰ পূবত অতি ক্ষীপ্ৰতাৰে বাঁহ খণ্ডৰ বিকাশ হ'বলৈ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ত্ৰিপুৰাৰ গোমতি জিলাৰ বিজয় সূত্ৰধৰ আৰু প্ৰদীপ চক্ৰৱৰ্তীৰ নাম উল্লেখ কৰি কয় যে তেওঁলোকে এই আইনৰ সুবিধা পুৰামাত্ৰাই গ্ৰহণ কৰিলে। তেওঁলোকে উন্নত কাৰিকৰী কৌশল প্ৰয়োগ কৰি আগতকৈ কেইবাজনো বেছি উন্নতমানৰ বাঁহ উৎপাদন কৰিবলৈ সক্ষম হৈছে। নাগালেণ্ডৰ কেইবাটাও আত্মসহায়ক গোটৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই আত্মসহায়ক গোটবোৰে বাঁহৰ পৰা তৈয়াৰী বিভিন্ন খাদ্যবস্তুৰ সফল ব্যৱসায় আৰম্ভ কৰিছে। মিজোৰামৰ কেতবোৰ গোটে বাঁহৰ টিছু কালচাৰ আৰু পলি হাউচ মেনেজমেণ্টৰ ক্ষেত্ৰত কাম

কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে  লগতে উল্লেখ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

বাৰিষাৰ সময়ছোৱাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা সমাধানৰ লক্ষ্যৰে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী দুই-তিনিদিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমুহা বতাহৰ লগতে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।  অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি তুলিছে।

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবী কোটাই ধাৰাষাৰ বৰষুণ হোৱাৰ আশংকালৈ চাই গুৱাহাটীৰ সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত কালি এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ মহানগৰীখনৰ বান ব্যৱস্থাপনা, নলা নৰ্দমাৰ পানী নিষ্কাষণ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বৈঠকত নলাসমূহৰ পৰা বোকা আঁতৰ কৰা, পাম্পিং ব্যৱস্থাসমূহ সক্ৰিয় কৰা, মেনহল আৰু নলাসমূহ ঢাকি ৰখাৰ লগতে বিপদসংকুল স্থানসমূহত বেৰিকেদ লগোৱাৰ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে মহানগৰীৰ কমেও ৩০০ টা স্থান ভূমিস্খলনপ্ৰবন অঞ্চল হিচাপে চিনাক্ত কৰি চোকা দৃষ্টি ৰখা হৈছে। বৰষুণৰ সময়ত জনসাধাৰণক সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। বৈঠকত ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে আজি আৰু কাইলৈ গুৱাহাটী মহানগৰীৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আৰু প্ৰস্তুতিৰ বিষয়ে অৱগত কৰে। জিলা প্ৰশাসনে ধাৰাষাৰ বৰষুণৰ সম্ভাৱনালৈ চাই নাগৰিকসকলৰ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। জনসাধাৰণক সতৰ্কতাৰে ভ্ৰমণৰ পৰিকল্পনা যুগুতোৱাবলৈ আৰু বান প্ৰৱণ তথা পানী জমা হোৱা ঠাই এৰাই চলিবলৈ পৰামৰ্শ দিয়া হৈছে।

ইপিনে, কালি যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত নলা নৰ্দমা পৰিস্কাৰকৰণ অভিযান চলোৱা হয়। জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ সমন্বয়ত টিয়ক, তিতাবৰ, যোৰহাট পৌৰ সভা আৰু গাওঁ পঞ্চায়ত সংলগ্ন এলেকাসমূহত এই অভিযান চলোৱা হয়। কালি যোৰহাট পৌৰ সভাই টোকলাইৰ ৪ টা কালভাৰ্টত জমা হৈ থকা আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰা হয়। এই অভিযানৰ ফলত সমাগত বাৰিষাৰ সময়ত ৰাইজে সকাহ পাব বুলি আশা কৰা হৈছে।

০০০০০০

অত্যাধিক ৰাসায়নিক সাৰ আৰু কীটনাশকৰ ব্যৱহাৰে জনস্বাস্থ্যলৈ কঢ়িয়াই অনা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলক এই ক্ষেত্ৰত সজাগ আৰু স্বাৱলম্বী কৰাৰ উদ্দেশ্যে শোণিতপুৰ জিলাৰ নপামত থকা কৃষি বিজ্ঞান কেন্দ্ৰত কালি এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান-আই আই টি গুৱাহাটীৰ উদ্যোগত আৰু শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰ তথা আই চি এ আৰ আটাৰী মণ্ডলৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত কৃষকসকলক ভূমি পৰীক্ষাৰ কীট ব্যৱহাৰ কৰি ভূমিৰ জৈৱিক কাৰ্বন নিৰ্ণয় কৰাৰ

কৌশল সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উপৰিও বাক্সা, দৰং, লখিমপুৰ আৰু ধেমাজি জিলাৰ ৩৬ টা কৃষি খণ্ডৰ ৩৬ গৰাকী কৃষক আৰু বিশেষজ্ঞই এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী, কৃষি বিজ্ঞানী ডঃ অংগনা শৰ্মাই আই আই টি গুৱাহাটীয়ে আৱিষ্কাৰ কৰা নতুন প্ৰযুক্তিৰ সহায়ত কৃষকসকলে পথাৰৰ ভূমিৰ গুণাগুণ পৰীক্ষা কৰি যথেষ্ট লাভান্বিত হ'ব বুলি আশা প্ৰকাশ কৰে। অত্যাধিক ৰাসায়নিক সামগ্ৰী প্ৰয়োগৰ ফলত ভূমিৰ স্বাস্থ্যৰ লগতে মানৱ স্বাস্থ্যলৈ কেনেধৰণৰ ভাবুকি নামি আহিছে সেই বিষয়েও বিশেষজ্ঞসকলে বিশদ ব্যাখ্যা আগবঢ়ায়।

০০০০০০

খালিস্তানী নেতা তথা পঞ্জাবৰ খাদুৰ চাহিব সমষ্টিৰ সাংসদ অমৃত পাল সিঙক পঞ্জাব আৰক্ষীক প্ৰদান কৰা দুদিনীয়া জিম্মাৰ ম্যাদ কালি আজি উকলি যায়। সময়সীমা অন্ত পৰাৰ লগে লগে ডিব্ৰুগড় থানা চৌহদৰ পৰা ভাৰ্চুৱেলী পঞ্জাবৰ সংশ্লিষ্ট আদালতৰ সন্মুখত তেওঁক কালি হাজিৰ কৰোৱা হয়। আদালতে তেওঁক পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে পঞ্জাব আৰক্ষীয়ে সিঙক নিজৰ জিম্মাত লৈ পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। ৩০ এপ্ৰিলত কাৰাগাৰৰ পৰা পুনৰ ভাৰ্চুৱেল শুনানি অনুষ্ঠিত হ'ব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্- কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্চ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক পাঁচ উইকেটত পৰাস্ত কৰে। ছানৰাইজাৰ্চ্ছ হায়দৰাবাদে ২২৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু তিনিটা বলত ৫ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ছানৰাইজাৰ্চ্ছ হায়দৰাবাদৰ হৈ ঈষান কিষানে ৩১ টা বলত ৭৪ ৰান কৰে। অভিষেক শৰ্মাই ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বৈভৱ সূৰ্যবংশীৰ ১০৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২২৮ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে দেলহী কেপিটেলছক ছয় উইকেটত পৰাস্ত কৰে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২৬৪ ৰান সংগ্ৰহ কৰে। দিল্লীৰ হৈ কে এল ৰাহুলে ৬৭ টা বলত ১৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নীতিশ ৰানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৮ অভাৰ ৫ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০০

**সমাপ্ত**